প্ৰযুক্তি

যোৰহাট আৰু শিলচৰত দুটা ডাটা চেণ্টাৰ নিৰ্মাণ কৰিব এয়াৰটেলে, বিনিয়োগ হ’ব ৪৫৫ কোটি টকা

অসমৰ যোৰহাট আৰু শিলচৰত এয়াৰটেলে ৪৫৫ কোটি টকা বিনিয়োগেৰে দুটা নতুন ডাটা চেণ্টাৰ নিৰ্মাণ কৰিব।

প্ৰকাশ: ২৫ নৱেম্বৰ ২০২৬, নিশা ৭:১৫



Airtel signed an MoU with the Assam government to invest Rs 455 crore in data centres with a combined capacity of 25 MW in Jorhat and Silchar.

গুৱাহাটী, ২৫ নৱেম্বৰ: অসমৰ ডিজিটেল আন্তঃগাঁথনি অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে যোৰহাট আৰু শিলচৰত দুটা বৃহৎ ডাটা চেণ্টাৰ নিৰ্মাণৰ পৰিকল্পনা কৰিছে ভাৰতী এয়াৰটেলে। মুঠ ৯ একৰ মাটিত নিৰ্মাণ হ’বলগীয়া এই দুয়োটা প্ৰকল্পৰ সামূহিক ক্ষমতা হ’ব ২৫ মেগাৱাট। প্ৰকল্প দুটাত প্ৰথম পৰ্যায়ত কোম্পানীটোৱে ৪৫৫ কোটি টকা বিনিয়োগ কৰিব।

এই সন্দৰ্ভত অসম চৰকাৰৰ তথ্য প্ৰযুক্তি বিভাগৰ সচিব নন্দিতা দত্ত আৰু এয়াৰটেলৰ প্ৰিয়ংকা জৈনৰ মাজত

© 2026 NewzNow

এক বুজাবুজি চুক্তি স্বাক্ষৰিত হয়। অনুষ্ঠানত উপস্থিত থাকি মুখ্যমন্ত্রী ড□ হিমন্ত বিশ্ব শর্মাই কয় যে কেৱল ডিজিটেল সেৱাৰ উপভোক্তা হৈ থকাৰ সলনি অসমে দেশৰ ডিজিটেল অর্থনীতিলৈ আন্তঃগাঁথনিগত অৱদান আগবঢ়োৱাৰ লক্ষ্য নির্ধাৰণ কৰিছে।

পৰিকল্পনা অনুসৰি, যোৰহাটত প্রায় চাৰি একৰ মাটিত ১০ মেগাৱাট ক্ষমতাৰ ডাটা চেণ্টাৰটো নির্মাণ কৰা হ’ব। এই প্রকল্পৰ প্রথম পর্যায়ত ২০০ কোটি টকা বিনিয়োগ কৰা হ’ব আৰু ইয়াৰ জৰিয়তে ১৬৪টা প্রত্যক্ষ কর্মসংস্থাপন সৃষ্টি হোৱাৰ সম্ভাৱনা আছে।

আনহাতে, শিলচৰত প্রায় পাঁচ একৰ মাটিত নির্মাণ হ’বলগীয়া ১৫ মেগাৱাট ক্ষমতাৰ আনটো ডাটা চেণ্টাৰত ২৫৫ কোটি টকা ব্যয় কৰা হ’ব। এই কেন্দ্রটোৰ পৰা ১০০টা প্রত্যক্ষ কর্মসংস্থাপনৰ সুযোগ সৃষ্টি হ’ব বুলি আশা কৰা হৈছে।

দুয়োটা প্রকল্পত ৪৫৫ কোটি টকা বিনিয়োগৰ বিপৰীতে মুঠ ২৬৪টা প্রত্যক্ষ পদ সৃষ্টি হ’ব। নির্মাণ, অভিযান্ত্রিক, সুৰক্ষা আৰু আনুষংগিক বিভিন্ন সেৱাৰ ক্ষেত্রতো পৰোক্ষ কর্মসংস্থাপনৰ পথ প্রশস্ত হ’ব বুলি চৰকাৰীভাৱে জনোৱা হৈছে।

উল্লেখ্য যে গুৱাহাটীৰ টেক চিটিত এমট্রনৰ পৰা লাভ কৰা দুই একৰ মাটিত এয়াৰটেলে ইতিমধ্যে ১৫ মেগাৱাট ক্ষমতাৰ আন এটা ডাটা চেণ্টাৰৰ নির্মাণকার্য আৰম্ভ কৰিছে। ২৫০ কোটি টকা ব্যয়সাপেক্ষ এই প্রকল্পটো ২০২৮ চনৰ মার্চ মাহৰ ভিতৰত সম্পূর্ণ কৰাৰ লক্ষ্য লোৱা হৈছে।

যোৰহাট আৰু শিলচৰৰ এই নতুন প্রকল্প দুটা সম্পূর্ণ হ’লে গুৱাহাটীসহ তিনিখন চহৰত এয়াৰটেলৰ মুঠ ডাটা চেণ্টাৰ ক্ষমতা ৪০ মেগাৱাটলৈ বৃদ্ধি পাব। একে সময়তে ৰাজ্যখনত এই তিনিওটা প্রকল্পত মুঠ বিনিয়োগৰ পৰিমাণ হ’বগৈ প্রায় ৭০৫ কোটি টকা।

চুক্তি অনুসৰি ৰাজ্য চৰকাৰে প্রকল্প দুটাৰ বাবে ভূমি হস্তান্তৰ, প্রশাসনিক অনুমতি আৰু নীতিগত সকাহ প্রদান কৰিব। ভূমিৰ দখল লাভ কৰাৰ দুবছৰৰ ভিতৰত ডাটা চেণ্টাৰ দুটাৰ নির্মাণকার্য সম্পূর্ণ কৰাৰ লক্ষ্য লৈছে প্রতিষ্ঠানটোৱে। অৱশ্যে যোৰহাট আৰু শিলচৰৰ কোনবোৰ নির্দিষ্ট স্থানত ভূমি আবণ্টন দিয়া হৈছে আৰু আনুষ্ঠানিক হস্তান্তৰ কেতিয়া সম্পূর্ণ হ’ব, সেই সন্দর্ভত কোনো তথ্য এতিয়ালৈকে ৰাজহুৱা কৰা হোৱা নাই।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/6322/airtel-data-centres-jorhat-silchar-assam